# কেইটামান গুৰুত্বপূৰ্ণ আৰকৰ প্ৰস্তুত প্ৰণালী

**১) নহৰু, জলকীয়াৰ আৰু আদা আৰক**



৫০০ গ্ৰাম নহৰু ১০০ মি:লি: কেৰাচিনত এৰাতি তিয়াই থ'ব লাগে পাচদিনা নহৰুৰ বাকলি বোৰ গুচাই পেষ্ট বনাব লাগে। ১০০ গ্ৰাম কেঁচা জলকীয়া ৫০ মি:লি: পানী মিহলাই পেষ্ট বনাব লাগে ১০০ গ্ৰাম আদা পিহি পেষ্ট বনাব লাগে।

তিনিও বিধ সামগ্ৰীৰ পেষ্ট মিহলাই ২৫-৩০ লিটাৰ পানীত মিহ্লাই মিশ্ৰণ প্ৰস্তুত কৰিব। ইয়াৰ সৈতে ৩০ গ্ৰাম কাপোৰ ধোৱা চাবোন মিহলাই ল'ব লাগে। স্পে্ৰ কৰাৰ আগতে মিশ্ৰণটো ছেকি ল'ব লাগে। ১ একৰ (৩বিঘা) মাটিৰ শস্যৰ বাবে ১ কে:জি: নহৰু, ১/২ কে:জি: আদা আৰু ১/২ কে:জি: কেঁচা জলকীয়াৰ প্ৰয়োজন।

**২) আদা, নহৰু, কেঁচা জলকীয়াৰ সৈতে গো-মূত্ৰৰ আৰক**
আধা কে:জি: নহৰু, আধা কে:জি: কেঁচা জলকীয়া, আধা কে:জি: আদাৰ পেষ্ট বনাব লাগে (অলপ পানী দিব পাৰে)। ৫০০ মি:লি: নিম তেল বা নিমৰ আৰক, ৫০০ মি:লি: ধপাতৰ আৰক আৰু ১০০ মি:লি হিঙৰ আৰক, এই আটাই কেইবিধ সামগ্ৰী ৫-৬ লিটাৰ গো-মূত্ৰত ৭২ ঘণ্টা ৰাখি পিছত ৫০-৬০ লিটাৰ পানীত মিহ্লাই স্পে্ৰ কৰিব লাগে। শিপাৰ পেলু (root knot nematode) ৰ বাবে শিপা শোধন পদ্ধতিৰে আৰু মোৱাপোক, থ্ৰিপচ, বগা মাখি, উৰহি জাতীয়, লাওজাতীয় শস্য, আলু, ভেন্দি, ধানৰ পাতত মুগা বৰণৰ ডাগ পৰা বেমাৰৰ বাবে, ভেন্দিৰ শিৰা হালধীয়া পৰা বেমাৰ সৃষ্টি কৰা মোজাইক ভাইৰাচৰ নিয়ন্ত্ৰণৰ বাবে এই আৰক ব্যৱহাৰ কৰিব পাৰি।

**৩) নিম খলিহৈৰ আৰক**



১০০ গ্ৰাম নিমৰ খলিহৈ পাতল কাপোৰ এখনত বান্ধি ১ লিটাৰ পানীত এৰাতি তিয়াই থ'ব লাগে। আৰু পিৰ্চদিনা উক্ত আৰক খিনি ভালকৈ চেকি ১ মি:লি: চাবোন পানী, ১ লিটাৰ আৰকত মিহলাই স্পে্ৰ কৰিব লাগে।

ফৰিং (grasshopper), ক্ৰিকেট (cricket), মোৱাপোক, স্কেল পোক, গুবৰুৱা জাতীয় পোক , উইভিল, ছগা, স্কিপাৰচ, পখিলা, ছ-ফ্লাই, উৰহ জাতীয় পোক আৰু পইঁতাচোৰা ইত্যাদিৰ নিয়ন্ত্ৰণৰ বাবে এই আৰক ব্যৱহাৰ কৰিব পাৰি

**৪) হালধিৰ কাণ্ডৰ আৰক**



১ কি:গ্ৰা: হালধি মিহিকৈ কাটি লৈ ৩-৪ লিটাৰ গো-মূত্ৰত মিহলাই ল'ব লাগে। মিশ্ৰণ খিনি ভালকৈ বনাই তাত ১৫-২০ লিটাৰ পানী মিহলাই ল'ব লাগে। স্পে্ৰ কৰাৰ আগতে প্ৰতিলিটাৰ আৰকৰ সৈতে ৪ মি:লি: খাদী চাবোন পানী মিহলাই স্পে্ৰ কৰিব। এই আৰকৰ প্ৰয়োগত পোক বিকৰ্ষিত হয়।

**৫) চৰাইৰ টোপ প্ৰস্তুত কৰণ**
১ কি:গ্ৰা: চাউলৰ ভাতৰ লগত ৫০ গ্ৰা: হালধি গুড়ি মিহলাই পথাৰত টোপ হিচাপে দিলে চৰাই আকৃষ্ট হয়। ৰাতিপুৱা আৰু আবেলি ৮-১০ ঠাইত প্ৰতি একৰ (৩বিঘা) ষ্টিাপত প্ৰয়োগ কৰিলে চৰাই আকৰ্ষিত হয় আৰু বিছা জাতীয় পোক নিয়ন্ত্ৰণ কৰাত সহায় কৰে।

**৬)আদাৰ কাণ্ডৰ আৰক**
২ কি:গ্ৰা: আদা পিহি তাত ৩০ লিটাৰ পানীত মিহলাই ছেকি ল'ব লাগে। স্প্ৰে কৰাৰ অগতে ৪ মি:লি: প্ৰতি লিটাৰ আৰকত খাদী চাবোন মিহলাই ল'ব লাগে যাতে প্ৰয়োগ কৰাৰ পিছত এইবিলাক পাতত লাগি ধৰে। এক একৰ (৩বিঘা) ৰ বাবে ৪ কি:গ্ৰা: আদাৰ প্ৰয়োজন।

**৭) নিম গুটিৰ আৰক**
৫০ গ্ৰাম বাকলি গুচোৱা নিমৰ গুটি বা ৭৫ গ্ৰাম বাকলি থকা নিমৰ গুটিৰ আৰক প্ৰস্তুত কৰিবলৈ ১ লিটাৰ পানীৰ প্ৰয়োজন। নিম গুটিৰ বাকলি গুচাই ল'লে ইয়াক সাৰৰ দৰে ব্যৱহাৰ কৰিবও পাৰি। প্ৰথমতে নিম গুটি বোৰ থেতেলিয়াই ল'ব লাগে। থেতেলিয়াওতে চাব লাগে যাতে গুটি সমূহৰ পৰা তেল ওলাই নাহে। গুটি বোৰ ৩ মাহৰ আগৰ বা ৮ মাহতকৈ পুৰণা হ'ব নালাগে। কাৰণ ৩ মাহৰ আগৰ আৰু ৮ মাহতকৈ পুৰণা গুটিত এজেৰাডেক্টিন (Azadirachtin) নামৰ পদাৰ্থ কম থাকে যি পোক নিয়ন্ত্ৰণ কৰে। থেতেলিওৱা গুটি খিনি এখন পাতল কাপোৰত বান্ধি এৰাতিৰ বাবে তিয়াই থ'ব লাগে।

পিচদিনা বান্ধি থোৱা নিম গুটি খিনি চেপি পানীত মিহলাই পানী খিনি ছেকি তাত ১ মি:লি: খাদী চাবোন পানী ১ লিটাৰ আৰকৰ সৈতে মিহলাই স্প্ৰে কৰিব লাগে। নিমৰ গুটিৰ আৰক খিনি বগা হ'ব লাগে। মুগা ৰঙৰ হ'ব নালাগে।

বি:দ্ৰ: - মোৱাপোক, বগা মাখি আৰু মজাখোৱা পোকৰ বাবে উপযোগী নহয়।

**৮)নিম পাতৰ আৰক**
১ কি:গ্ৰা: নিম পাত, ৫ লিটাৰ পানীত ৰাতিটোৰ বাবে তিয়াই থ'ব লাগে। পিছদিনা পাতখিনি পিহি পানী খিনিৰ লগত মিহলাই ছেকি ল'ব লাগে। স্প্ৰে কৰাৰ আগতে ১ মি:লি: খাদী চাবোনৰ পানী প্ৰতি ১ লিটাৰ আৰকৰ সৌত মিহলাই ল'ব লাগে। এই আৰক পাতখোৱা বিছা পোক, পলু, ফৰিং উঁইচিৰিঙা ইত্যাদি নিয়ন্ত্ৰণৰ বাবে ব্যৱহাৰ কৰিব পাৰি।



এই পুস্তিকা খনৰ অনুবাদ, সম্পাদনা আৰু প্ৰকাশন

**ফাৰটাইল গ্ৰাউণ্ড:** **আৰু** **হৃদয়ংগম,**

ইষ্ট/উৱেষ্ট চাচটেইনেবিলিটি নেটওৱৰ্ক,
ভেনকভাৰ আইলেণ্ড, বিট্ৰিচ কলম্বিয়া, কানাডা
fertile_ground2003@yahoo.com

মাৰ্ঘেৰিটা চাচটেইনেবল এগ্ৰিকালচাৰেল ফৰাম,
মাৰ্ঘেৰিটা, অসম, ভাৰত
hridayangam@yahoo.com

ৰ এক যুটীয়া প্ৰকল্পৰ অধীনত সম্পন্ন হৈছে
তলত উল্লেখিত অনুস্থান সমূহৰ সহায়ৰ বাবে ফাৰটাইল গ্ৰাউণ্ড আৰু হৃদয়ংগমৰ তৰফৰ পৰা ধন্যবাদ জনোৱা হ'ল
কানাডা ইণ্ডিয়া ভিলেজ এইড, ভেনকভাৰ, বি.চি. কানাডা
ওৰ্ল্ড কমিউনিটি ডেভেলপমেণ্ট এডুকেশ্যন চচাইটি, কৰ্টনি, বি.চি. কানাডা
বি.চি. এছছিয়েছন অব প্ৰফেছনেল এগ্ৰ'লজিষ্ট, কানাডা
"শব্দলিপি" চফ্টৱেৰৰ বাবে টি. আই. ট্ৰেড, গোপিনাথ বৰদলৈ পথ, গুৱাহাটী, অসম
The original English version of this material was published by International Programme, HDRA, the organic organisation.
We are grateful for their permission to translate this material into Assamese.
Many more useful resource materials are available on their website: **www.hdra.org.uk**
Mailing address: HDRA, the organic organisation, Ryton Organic Gardens Coventry, CV8 3LG, U.K.

**প্ৰথম সম্পাদনা - এপ্ৰিল, ২০০৪**